# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৮ চনৰ ০১ জুন তাৰিখত মছজিদ বায়তুল ফুতুহ লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে আঁহজৰত (ছাঃ) ৰ এজন চাহাবা আছিল ৱাকাশা বিন মহচিন। হজৰত ওৱাকাশা বিন মহচিন কুবাৰ চাহাবাসকলৰ অন্তৰ্ভূক্ত আছিল। তেখেত (ৰাঃ) বদৰৰ যুদ্ধত অশ্বাৰোহী হিচাপে যোগদান কৰিছিল। সেই দিনা তেখেতৰ তৰোৱাল ভাঙি গৈছিল। তেতিয়া ৰছুলে কৰিম (ছাঃ) য়ে তেখেতক এটা লাঠি দিছিল, সেয়া তেখেত (ৰাঃ) ৰ হাতত যেনিবা স্পষ্ট এটা লোৰ তৰোৱাল হৈ গৈছিল আৰু তেখেত (ৰাঃ) য়ে তাৰেই যুদ্ধত বিজয় দান কৰিছিল। আকৌ সেই কাঠৰ তৰোৱালৰ দ্বাৰাই তেখেত (ৰাঃ) য়ে আঁহজৰত (ছাঃ) ৰ লগতে সকলো যুদ্ধত যোগদান কৰিছিল আৰু এই কাঠৰ তৰোৱাল মৃত্যুৰ সময় লৈকে তেখেত (ৰাঃ) ৰ ওচৰত আছিল। ইয়াৰ নাম আছিল অউন। আঁহজৰত (ছাঃ) য়ে তেখেত (ৰাঃ) ক সু-সংবাদ দিছিল যে তুমি বিনা হিচাপতে জান্নাতত প্ৰবেশ কৰিবা। বদৰৰ যুদ্ধৰ সময়ত ৰছুলে কৰিম (ছাঃ) য়ে চাহাবা সকলক কৈছিল যে আৰবৰ এজন উত্তম অশ্বাৰোহী আমাৰ লগত আছে। চাহাবা সকলে সুধিছিল ইয়া ৰছুলুল্লাহ সেইজন ব্যক্তি কোন ? তেখেত (ছাঃ) য়ে উত্তৰ দিছিল যে সেইজন হ'ল ওৱাকাশা বিন মহচিন। হজৰত আবু হুৰায়েৰা (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে মই ৰছুলুল্লাহ (ছাঃ) ৰ পৰা শুনিছো, তেখেত (ছাঃ) য়ে কৈছে যে মোৰ উম্মতৰ পৰা এটা দল জান্নাতত প্ৰবেশ কৰিব তেওঁলোকৰ সংখ্যা হ'ব সত্তৰ হাজাৰ আৰু তেওঁলোকৰ চেহেৰা হ'ব চৈধ্য দিনীয়া ৰাতি জোনটোৰ দৰে উজ্বল। তেতিয়া হজৰত ওৱাকাশা বিন মহচিন থিয় হয় আৰু আবেদন জনায় যে ইয়া ৰছুলুল্লাহ, আল্লাহৰ ওচৰত দোৱা কৰক মোকও যেন তেওঁলোকৰ দৰে বনাই দিয়ে। ৰছুলে কৰিম (ছাঃ) য়ে উত্তৰ দিয়ে যে, হে আল্লাহ তুমি তাক তেওঁলোকৰ লগত চামিল কৰি দিয়া। আকৌ আনছাৰ সকলৰ মাজৰ পৰা জেনে থিয় দিয়ে আৰু আবেদন জনায় যে, ইয়া ৰছুলুল্লাহ আল্লাহ তায়লাৰ ওচৰত দোৱা কৰক মোকও যেন সিহঁতৰ লগত চামিল কৰি দিয়ে। তেতিয়া ৰছুলে কৰিম (ছাঃ) য়ে কয় যে ওৱাকাশা এই ক্ষেত্ৰত তোমাৰ আগতে সুবিধা লৈ লৈছে। নবী কৰিম (ছাঃ) য়ে হজৰত ওৱাকাশা (ৰাঃ) ক বিভিন্ন বিভাগত (দলত) আমীৰ নিযুক্ত কৰি পঠাইছিল। আঁহজৰত (ছাঃ) য়ে ছয় হিজৰিৰ ৰবিউল আউৱাল মাহত হজৰত ওৱাকাশাক চল্লিশ জন মুছলমানৰ নেতৃত্বৰ ভাৰ দি বনি আছাদ গোত্ৰৰ বিৰুদ্ধে পঠিয়াই দিয়ে। এই বনি আছাদ গোত্ৰই এটা নিজৰাৰ ওচৰত বাহৰ পাতি আছিল। যাৰ নাম আছিল গমৰ। এয়া মদিনাৰ পৰা মক্কালৈ যোৱাৰ বাটত অৱস্থিত আছিল। ওৱাকাশাৰ দলে অতি সোনকালে যাত্ৰা কৰি তাতগৈ উপস্থিত হোৱাৰ লগে-লগে বনি আছাদৰ গোত্ৰই গম পাই তাৰ পৰা পলায়ন কৰিছিল। সেয়ে ওৱাকাশা নিজৰ দলকলৈ মদিনালৈ উভতি আহিছিল কিন্তু কোনো কাজিয়া হোৱা নাছিল।

হজৰত ইবনে আব্বাছ বৰ্ণনা কৰিছে যে যেতিয়া আঁহজৰত (ছাঃ) ৰ ওপৰত ছুৰা নছৰ অৱতীৰ্ণ হৈছিল তেতিয়া তেখেত (ছাঃ) য়ে হজৰত বিলাল (ৰাঃ) ক আজান দিবলৈ আদেশ দিছিল। নমাজৰ পিছত তেখেত (ছাঃ) য়ে খোতবা দিয়ে (ভাষণ দিয়ে) সেয়া শুনি লোক সকলে বহুত কান্দিছিল, তেতিয়া আঁহজৰত (ছাঃ) য়ে সুধিছিল যে, হে লোক সকল; মই কেনেকুৱা নবী ? তেতিয়া লোক সকলে কৈছিল, আল্লাহ তায়লা আপোনাক পুৰুস্কৃত কৰক, আপুনি আটাইতকৈ উত্তম নবী। আপুনি আমাৰ বাবে দয়ালু পিতৃৰ দৰে, আৰু বন্ধুৰ দৰে নচিহত কৰোঁতা ভাইয়েকৰ দৰে, আপুনি আমালৈ আল্লাহৰ বাৰ্তা পৌছাই দিছে, আৰু তাৰ অহিবোৰ শুনাইছে। প্ৰজ্ঞাপূৰ্ণ আৰু ভাল উপদেশেৰে আমাক আল্লাহৰ বাটলৈ মাতিছে গতিকে আল্লাহ তায়লা আপোনাক উত্তম পুৰুস্কাৰ দান কৰক। আকৌ আঁহজৰত (ছাঃ) য়ে কৈছে, হে; মুছলমান সকল; মই তোমালোকক আল্লাহ আৰু তোমালোকৰ ওপৰত থকা নিজৰ অধিকাৰৰ শপত লৈ কৈছো, যদি মোৰ ফালৰ পৰা কোনোবাৰ ওপৰত জুলুম অত্যাচাৰ হৈ থাকে তেন্তে থিয় দিয়া আৰু মোৰ ওপৰত প্ৰতিশোধ লৈ লোৱা। কিন্তু কোনেও থিয় হোৱা নাছিল। তেখেত (ছাঃ) য়ে আকৌ শপত লৈ

কৈছিল কিন্তু কোনেও ইয়াৰ বাবে থিয় হোৱা নাছিল। আঁহজৰত (ছাঃ) য়ে তৃতীয় বাৰ কৈছিল যে হে মুছলমান সকল; মই তোমালোকক আল্লাহ্ আৰু তোমালোকৰ ওপৰত থকা নিজৰ অধিকাৰৰ শপত লৈ কৈছো, যদি মোৰ ফালৰ পৰা কোনোবাৰ ওপৰত জুলুম-অত্যাচাৰ হৈ থাকে তেন্তে তেওঁ থিয় হওঁক আৰু মোৰ ওপৰত প্ৰতিশোধ লওঁক। তেতিয়া ওৱাকাশা থিয় হৈছিল। তেখেতে মুছলমান হোৱা সত্বেও আগবাঢ়ি আহি ৰছুলে কৰিম (ছাঃ) ৰ সন্মুখত থিয় দিয়ে আৰু আবেদন জনায় যে ইয়া ৰছুলুল্লাহ মোৰ মা-দেউতা আপোনাৰ নামত উচ্চৰ্গিত যদি আপোনি বাৰে-বাৰে শপত নললেহেঁতেন তেন্তে মই কেতিয়াও থিয় নহলোহেঁতেন। মই এটা যুদ্ধত আপোনাৰ লগত আছিলো, তাৰ পৰা ঘুৰি অহাৰ সময়ত মোৰ উটনি আপোনাৰ উটনিৰ ওচৰ চাপি গৈছিল তেতিয়া মই মোৰ উটনিৰ পিঠিৰ পৰা নামি গৈ আপোনাৰ ভৰিত চুমা দিবৰ মানসেৰে আপোনাৰ ওচৰ চাপি যোৱাৰ লগে-লগে আপোনি উটনিক চাবুক মাৰিছিল সেই চাবুকৰ প্ৰহাৰ মোৰ শৰীৰত লাগিছিল। মই নাহানো সেই প্ৰহাৰ আপুনি উটনিক কৰিছিল নে মোক প্ৰহাৰ কৰিছিল। তেতিয়া ৰছুলে কৰিম (ছাঃ) য়ে উত্তৰ দিছিল যে আল্লাহৰ মহান ক্ষমতাৰ কছম, খোদা তায়লাৰ ৰছুল জানি বুজি তোমাক প্ৰহাৰ কৰিব নোৱাৰে। আকৌ তেখেত (ছাঃ) য়ে হজৰত বিলাল (ৰাঃ) ক ফাতিমা (ৰাঃ) ৰ ঘৰৰ পৰা সেই চাবুক লৈ আনিবলৈ নিৰ্দেশ দিয়ে। হজৰত বিলাল (ৰাঃ) য়ে গৈ হজৰত ফাতিমা (ৰাঃ) ৰ ঘৰৰ পৰা সেই চাবুক (কাঠৰ সৰু আৰু চিকুনাই লোৱা বেতৰ দৰে লাঠি) লৈ আনে। হজৰত বিলাল (ৰাঃ) য়ে মজিদলৈ আহি সেই চাবুক আঁহজৰত (ছাঃ) ৰ হাতত দিয়ে। তেখেত (ছাঃ) য়ে সেই চাবুক ওৱাকাশক দিয়ে আৰু কয় যে হে ওৱাকাশ তুমি এতিয়া মোক প্ৰহাৰ কৰা। হজৰত ওৱাকাশা (ৰাঃ) য়ে জনায় যে ইয়া ৰছুলুল্লাহ আপুনি যেতিয়া মোক আঘাত কৰিছিল, তেতিয়া মোৰ পিঠিত কাপোৰ নাছিল। তেতিয়া তেখেত (ছাঃ) য়ে নিজৰ পিঠিৰ পৰা কাপোৰ গুচাই দিয়ে, তেতিয়া মুছলমান সকলে কান্দিবলৈ আৰম্ভ কৰে আৰু ওৱাকাশক কয় যে সচাঁকৈয়ে তুমি ৰছুলুল্লাহ (ছাঃ) ক আঘাত কৰিবানে ? কিন্তু হজৰত ওৱাকাশা যেতিয়া আঁহজৰত (ছাঃ) ৰ শৰীৰৰ ৰং দেখিবলৈ পায় তেতিয়া পাগলৰ দৰে জপিয়াই আগবাঢ়ি গৈ তেখেত (ছাঃ) ৰ শৰীৰত চুমা খাবলৈ ধৰে আৰু নিবেদন জনায় যে ইয়া ৰছুলুল্লাহ্ কাৰ হৃদয়ত এনে ধাৰণা কৰিব পাৰে যে তেওঁ আপোনাৰ প্ৰতিশোধ লব পাৰে।

তেতিয়া আঁহজৰত (ছাঃ) য়ে কৈছিল যে তুমি প্ৰতিশোধ লবা নে ক্ষমা কৰি দিবা। সেই সময়ত ওৱাকাশে কৈছিল যে, ইয়া ৰছুলুল্লুাহ মই ক্ষমা কৰিছেঁ এই আশাৰে যাতে আল্লাহে মোক কিয়ামতৰ দিনা ক্ষমা কৰি দিয়ে। উক্ত কথা খিনি শুনি ৰছুলে কৰিম (ছাঃ) য়ে লোকলৈ উদ্দেশ্যি কৈছিল যে যি সকলে জন্নাতত মোৰ লগৰীয়া হওঁতা জনক দেখিব বিচাৰে তেওঁ এইজন বুঢ়া ব্যক্তিক চাওক। গতিকে মুছলমান সকলে উঠি আহি হজৰত ওৱাকাশৰ মূৰত চুমা খাবলৈ ধৰে আৰু ধন্যবাদ জনায়। হজৰত আবু বক্কৰ (ৰাঃ) ৰ খিলাফতৰ সময়ত হজৰত ওৱাকাশা, হজৰত খালিদ বিন অলিদৰ সৈতে ধৰ্মত্যাগী সকলৰ বিদ্ৰোহ দমন কৰিবলৈ গৈছিল। হজৰত খালিদ বিন অলিদে, হজৰত ওৱাকাশা বিন মহচিন, আৰু হজৰত সাবিত বিন আক্ৰাম (ৰাঃ) ক বাৰ্তাবাহক হিচাপে পঠাইছিল যাতে শত্ৰুৰ খবৰ লৈ আনে। তেওঁলোক দুজন অশ্বাৰোহী আছিল। হজৰত ওৱাকাশাৰ ঘোৰাৰ নাম ৰোজাম আৰু হজৰত সাবিতৰ ঘোৰাৰ নাম আলমুজৰ আছিল। কিন্তু বাটতে তেওঁলোক দুজনৰ সৈতে তালকা আৰু তেখেতৰ ভাই ছালমাৰ সৈতে এই দুজনৰ মুখামুখি হয় আৰু দুয়োভায়েকে এই দুজন চাহাবাক শ্বহীদ কৰি দিয়ে। এয়া ১২ হিজৰিৰ ঘটনা আছিল।

হজৰত খাৰিজা বিন জায়েদ আঁহজৰত (ছাঃ) ৰ এজন চাহাবা আছিল। এখেত খজৰজ গোত্ৰৰ লোক আছিল। হজৰত খাৰিজাৰ জীয়েক হজৰত হাবিবা (ৰাঃ) হজৰত আবু বক্কৰ (ৰাঃ) ৰ পত্নী আছিল। যাৰ গৰ্ভত হজৰত আবু বক্কৰ (ৰাঃ) ৰ জীয়েক হজৰত উম্মে কুলছুমৰ জন্ম হৈছিল। আঁহজৰত (ছাঃ) য়ে হজৰত খাৰিজা বিন জায়েদ আৰু হজৰত আবু বক্কৰ (ৰাঃ) ৰ মাজত ভ্ৰাতৃত্ব বন্ধন প্ৰতিষ্ঠা কৰি দিছিল। ৰায়েছ কবিলাৰ লোক আছিল তেখেত আৰু তেখেতক কোবাৰ চাহাবা সকলৰ লগত চামিল কৰা হৈছিল। তেখেত উকবাত বয়াত কৰিছিল। মদিনালৈ হিজৰত কৰি যোৱাৰ পিছত হজৰত আবু বক্কৰ (ৰাঃ) য়ে হজৰত খাৰিজা বিন জায়েদৰ ঘৰত থাকিবলৈ লৈছিল। এখেতে বদৰৰ যুদ্ধত অংশ লৈছিল আৰু অহুদৰ যুদ্ধত শ্বাহদত প্ৰাপ্ত হৈছিল।

তেখেত (ৰাঃ) য়ে বল্লমৰ আঘাতত অচেতন হৈ পৰি থকা অৱস্থাত চুফিয়ান বিন উমিয়া তেখেতৰ ওচৰেদি যাওঁতে দেখা

পাই তেখেতৰ ওপৰত আক্ৰমন চলায় আৰু শ্বহীদ কৰি দিয়ে। তেখেত (ৰাঃ) ৰ নাক কাণ কাটি দিয়ে আৰু কয় যে এইজন লোকেই বদৰৰ যুদ্ধত মোৰ দেউতা উমিয়া বিন খালপক হত্যা কৰিছিল। এতিয়া মই মহম্মদ (ছাঃ) ৰ বিশেষ আৰু উত্তম চাহাবা সকলক হত্যা কৰি নিজৰ হৃদয় জুৰ পেলাম। চুফিয়ান বিন উমিয়ায় হজৰত ইবনে কউকিল হজৰত খাৰিজা বিন জায়েদ আৰু হজৰত আউছ্ বিন আৰকমক শ্বহীদ কৰিছিল।

হজৰত খাৰিজা আৰু হজৰত ছাআদ বিন ৰবি এই দুজনক এখন কবৰত দফন কৰা হৈছিল। ৰোৱায়েত আছে যে অহুদৰ যুদ্ধৰ দিনা হজৰত আব্বাচ বিন উবেদাহ চিঞৰি চিঞৰি কৈছিল যে হে মুছলমান সকল আল্লাহ আৰু ৰছুলৰ আজ্ঞাবহ হৈ থাকা। যি বিপদৰ উপক্ৰম হৈছে এয়া নিজৰ নবীৰ অবাধ্যতাৰ ফলত হৈছে। তেওঁ তোমালোকক সহায়ৰ প্ৰতিশ্ৰুতি দিছিল কিন্তু তোমালোকে ধৈৰ্য্য ধৰা নাই। ইয়াৰ পিছত হজৰত আব্বাচ বিন উবেদাহ নিজৰ লোৰ টুপি আৰু যুদ্ধ বস্ত্ৰ খুলি পেলাই হজৰত খাৰিজা বিন জায়েদক প্ৰশ্ন কৰে যে আপোনাক ইয়াৰ প্ৰয়োজন আছে নেকি ? খাৰিজায় উত্তৰ দিয়ে যে যি বস্তুৰ প্ৰয়োজন তোমাৰ আছে সেয়া মোৰও আছে। তাৰ পিছত সকলো শত্ৰুয়ে তেওঁলোকক আগুৰি ধৰে। হজৰত আব্বাচ (ৰাঃ) য়ে কৈছিল আমাৰ চকুৰ আগত যদি ৰছুলুল্লাহ (ছাঃ) ৰ কোনো কষ্ট হয় তেন্তে আমি আল্লাহৰ ওচৰত কি উত্তৰ দিম। হজৰত আব্বাচ বিন উবেদাক ছুফিয়ান বিন আবিদ সামছ ছালমি য়ে শ্বহীদ কৰি দিছিল। অহুদৰ যুদ্ধৰ দিনা হজৰত মালিক বিন দুখশম হজৰত খাৰিজা যেতিয়া আঘাত প্ৰাপ্ত হৈ পৰি আছিল তেতিয়া ওচৰোদি গৈছিল আৰু কৈছিল যে আপুনি নেজানে নে যে, হজৰত মহম্মদ ৰছুলুল্লাহ (ছাঃ) ক শ্বহীদ কৰি দিয়া হৈছে। হজৰত খাৰিজা সেয়া শুনি উত্তৰ দিছিল যদি তেখেত (ছাঃ) ক শ্বহীদ কৰা হৈছে তেন্তে নিশ্চয় আল্লাহ জীৱিত থাকিব তেওঁ নমৰে। মহম্মদ (ছাঃ) য়ে বাৰ্তা পোছাই দিছে। তুমি নিজৰ ধৰ্মৰ বাবে যুদ্ধ কৰি যোৱা।

আকৌ আঁহজৰত (ছাঃ) ৰ আন এজন চাহাবী আছিল হজৰত জায়েদ বিন লবিদ। উকাবা ছানিয়াত তেখেতে সত্তৰ আছহাবৰ সৈতে ইছলাম গ্ৰহন কৰিছিল। ইছলাম গ্ৰহন কৰাৰ পিছত মদিনালৈ ঘুৰি আহি নিজৰ কবিলা বণু বিয়াজাৰ দেৱতা মুৰ্ত্তি ভাঙি পেলাইছিল। পিছত তেখেতে ৰছুলুল্লাহ (ছাঃ) ৰ ওচৰত অৰ্থাৎ মক্কালৈ গুচি গৈছিল। আকৌ মদিনালৈ হিজৰতৰ সময়ত মদিনালৈ গুচি আহে। সেয়ে তেখেতৰ মুহাজিৰ আনছাৰ বুলি কোৱা হয়। হজৰত জায়েদ (ৰাঃ) বদৰৰ যুদ্ধ, অহুদৰ যুদ্ধ, খন্দকৰ যুদ্ধ, আৰু সকলো যুদ্ধত নবী কৰিম (ছাঃ) ৰ লগত থাকিছিল। আঁহজৰত (ছাঃ) য়ে হিজৰতে মদিনাৰ সময়ত কবিলা বণু বিয়াজাৰ বস্তিৰ মাজেদি যোৱাৰ সময়ত হজৰত জায়েদে তেখেত (ছাঃ) ক সম্ভাষণ জনাইছিল আৰু তাতে থাকিবলৈ নিজৰ ঘৰ খন আগবঢ়াইছিল তেতিয়া আঁহজৰত (ছাঃ) য়ে কৈছিল যে মোৰ উটনিক স্বাধীন ভাৱে যাবলৈ দিয়া, এওঁ নিজৰ গন্তব্যস্থান নিজে বিচাৰি লব। ন হিজৰিৰ মহৰম মাহত তেখেত (ছাঃ) য়ে ছদকা আৰু জাকাত আদায় কৰাৰ বাবে বেলেগ বেলেগ সংগ্ৰাহায়ক নিযুক্ত কৰিছিল তেতিয়া হজৰত জায়েদক হজাৰমাওত অঞ্চলৰ তহচিলদাৰ নিযুক্ত কৰিছিল। এই বিভাগত নিযুক্ত হোৱাৰ পিছৰে পৰা তেখেতে কোফাত থাকিবলৈ লয় আৰু তাতেই ৪১ হিজৰিত মৃত্যু বৰণ কৰে।

আঁহজৰত (ছাঃ) ৰ আন এজন চাহাবী আছিল হজৰত মুৰাত্বব বিন আবিদ। হজৰত মুৰাত্বব (ৰাঃ) বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল। তেখেতে যুদ্ধৰ পৰা ঘুৰি অহাৰ দিনা শ্বহীদ প্ৰাপ্ত হৈছিল। হজৰত বশীৰ উদ্দিন মেহমুদ আহমদ (ৰাঃ) য়ে লিখিছে যে এই দিনটো মুছলমান সকলৰ বাবে বৰ বিপদজনক দিন আছিল। চাৰিওফালৰ পৰা আঁহজৰত (ছাঃ) লৈ আতংক জনক খবৰ আহিছিল যদিও আটাইতকৈ বেছি বিপদ হৈছিল কুৰাইছে মক্কা সকলৰ বাবে। এই বিপদৰ উমান পাই আঁহজৰত (ছাঃ) য়ে ছফৰ মাহত (৪ হিজৰি) দহজনীয়া এটা দল গুপ্তচৰ হিচাপে নিযুক্ত দি এহাচান ৱিন সাবিতক তাৰ আমীৰ নিযুক্ত কৰি কুৰাইছ্ সকলৰ অৱস্থাৰ গোপন সংবাদ জানিবলৈ দিয়ে। কিন্তু এই দলটো তালৈ যাত্ৰা কৰাৰ আগতেই আজল কবিলা আৰু কাৰা কবিলাৰ কেইজনমান লোক তেখেত (ছাঃ) ৰ ওচৰত আহি উপস্থিত হয় আৰু জনায় যে আমাৰ কবিলাৰ লোকে ইছলাম গ্ৰহন কৰিব বিচাৰে। সেয়ে আপুনি কেইজনমান লোক আমাৰ লগত পঠাই দিয়ক। যিসকলে আমাক মুছলমান বনাই ইছলামৰ শিক্ষা দিব পাৰে। আঁহজৰত (ছাঃ) য়ে তেওঁলোকৰ ইচ্ছাৰ কথা শুনি এই নতুন নিযুক্ত দলটোক (গুপ্তচৰৰ দল) তেওঁলোকৰ লগত পঠাই দিয়ে। কিন্তু পিছত জানিব পৰা গৈছিল যে উক্ত কবিলাৰ মানুহবোৰ মিছলীয়া আছিল। তেওঁলোকে বনু লিহানৰ পৰামৰ্শত মদিনালৈ আহিছিল। এওঁলোকে নিজৰ ৰইচ ছুফিয়ান বিন খালিদৰ হত্যাৰ প্ৰতিশোধ লবলৈ

এই ষড়যন্ত্ৰ চলাইছিল। যেতিয়া আজল আৰু কাৰাৰ এই বিশ্বাসঘাতক সকলে উচফান আৰু মক্কাৰ মাজবাটত গৈ উপস্থিত হৈছিল তেতিয়া তেওঁলোকে বনু লিহানক গোপনে খবৰদিছিল যে মুছলমানৰ কেইজনমান লোক আমাৰ লগত আহি আছে, তুমি আহি যোৱা। তেতিয়া বনু লিহানৰ কবিলাৰ দুশ যুদ্ধ পাৰ্গত ডেকা ল'ৰা যাৰ মাজত এশ ধনুবিদ্যাত পাৰ্গত, মুছলামন সকলৰ পিছু লয় আৰু ঘুৰি অহাৰ বাটত ঘেৰাও কৰে। তেতিয়া এই দহ জন মুছলামনে উপায় বিহীন হৈ এটা টিলাত উঠি গৈ যুদ্ধৰ বাবে সাজু হয়। তেতিয়া এই কাফিৰ সকলে টিলাত উঠি যোৱা চাহাবী সকলক তললৈ নামি আহিবলৈ মাত দিয়ে আৰু কয় যে আমি শপত খাই কৈছো তোমালোকক হত্যা নকৰো। তেতিয়া আছম (ৰাঃ) য়ে জনায় যে আমি তোমালোকৰ এই শপত বিশ্বাস নকৰো। তাৰ পিছত আচমানৰ ফালে মূখ কৰি কয় যে, হে আল্লাহ তুমি আমাৰ অৱস্থা চাই আছো, আমাৰ ৰছুলক আমাৰ এই অৱস্থাৰ বিষয়ে জনাই দিয়া। তাৰ পিছত আছম আৰু সংগীবৃন্দহ যুদ্ধ কৰি কৰি শ্বহীদ হৈ যায়।

বদৰৰ চাহাবা সকলৰ মাজত হজৰত খালিদ বিন বকিৰ আকিল, হজৰত আমৰ আৰু হজৰত আয়াচ দাৰে আৰকামত একে লগে ইছলাম গ্ৰহন কৰিছিল। এওঁলোক চাৰি ভায়েকেই দাৰে আৰকামত সৰ্বপ্ৰথম ইছলাম গ্ৰহন কৰিছিল। ৰছুলুল্লাহ (ছাঃ) য়ে হজৰত খালিদ বিন বকিৰ আৰু হজৰত জায়েদ বিন দছিনাৰ মাজত ভ্ৰাতৃত্ব বন্ধন প্ৰতিষ্ঠা কৰি দিছিল। তেখেত (ৰাঃ) বদৰ যুদ্ধ আৰু অহুদৰ যুদ্ধত অংশ লৈছিল। তেখেত (ৰাঃ) চাৰি হিজৰিৰ ছফৰ মাহত ৩৪ বছৰ বয়সত প্ৰত্যাবৰ্ত্তনৰ সময়ত ঘটা যুদ্ধত আছম (ৰাঃ), মুৰছিদ (ৰাঃ) আদিৰ লগতে আজল কবিলা আৰু কাৰা কবিলাৰ লগত যুদ্ধ কৰি শ্বহীদ হৈছিল।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; এই সকল লোক সেই লোক আছিল যি সকলে ধৰ্ম ৰক্ষাৰ্থে আৰু ঈমান ৰক্ষাৰ্থে প্ৰাণ বিসৰ্জন দিছে। হজৰত মছিহ মাওউদ (আঃ) য়ে নিজৰ লিখনিত চাহাবা সকলৰ বিষয়ে লিখিছে যে, সেই মুৰছিলে খোদা সকলক ধন্যবাদ যি দয়াবান আৰু সকলো চিন্তা দুৰ কৰোঁতা আৰু তেওঁলোকৰ ৰছুলৰ প্ৰতি দৰূদ ও ছালাম, যিজন জিন ও ইনচানৰ ইমাম আৰু পৱিত্ৰ চেতা, আৰু জান্নাতৰ ফালে টানি লৈ যাওঁতা। তেখেতৰ আছহাবৰ প্ৰতি ছালাম যিসকলে ঈমানৰ জুৰিলৈ পিয়াহতুৰ হৈ দৌৰিছিল আৰু এন্ধাৰ ভ্ৰষ্টাচাৰ ৰাতিক্ৰজ্ঞান আৰু আমলেৰে পোহৰাইছিল। যিসকল দিনৰ ময়দানত আছিল স্বৰ আৰু ৰাতিৰ পথ প্ৰদৰ্শক। তেওঁলোক আছিল দ্বীনৰ ভোটা তৰা। আল্লাহ তায়লা আমাক নিজৰ জ্ঞান, আৰু আমলৰ অৱস্থা উন্নত কৰাৰ তৌফিক দান কৰক।

খোতবা জুমাৰ শেষত হুযুৰ (আইঃ) য়ে মকৰৰম ইছমাইল মালাগালা চাহাব (মোবাল্লিগ ছিলছিলা) ইউগণ্ডাৰ পৱিত্ৰ জীৱণ চৰিত সম্পৰ্কে চমু আলোচনা কৰে। এখেতে ২৫ মে ২০১৮ চনত মৃত্যু বৰণ কৰিছে। নামাজে জুমাৰ পিছত এখেতৰ নমাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে। আল্লাহ তায়লা মৰহুমৰ পৰলৌকিক মৰ্যদা উন্নীত কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 1 June 2018**

**(BOOK POST PRINTED MATTER)**

**To**

-----------------------------------------------------------------------

-----------------------------------------------------------------------

-----------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**